# অসমীয়া ডাকৰ বচন, প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা, সাঁথৰ আদিত প্ৰতিফলিতপাৰিপাৰ্শ্বিক সচেতনতাজনিত কৃষিভিত্তিক জ্ঞান

**ড° আদিত্য শইকীয়া**

**সাৰাংশ ঃ**

অসমীয়া জাতীয় জীৱনত ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিৰ গুৰুত্ব অপৰিসীম। প্ৰকৃতিৰ অনুগ্ৰহত বিভিন্ন পৰিৱেশমিত্ৰ লোকবিশ্বাসৰ গইনা লৈ সৃষ্ট অসমীয়া ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিত পৰিৱেশৰ বিভিন্ন ৰহস্য থকাটো স্বাভাৱিক। এটা জাতি দীৰ্ঘজীৱি হোৱাৰ ক্ষেত্ৰত ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিৰ মাজত পঞ্জীভূতপাৰিপাৰ্শ্বিক সচেতনতাৰ দিশবোৰ অধ্যয়ন হোৱাটো নিতান্তই প্ৰয়োজনীয়। ইয়াৰ লগতে, বিশ্বায়নৰ যুগত বহনক্ষম উন্নয়নৰ স্বাৰ্থত এই বিষয়টি অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। সেয়েহে, অসমীয়া ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিৰ মাজত থকা কৃষিভিত্তিক জ্ঞানৰ পৰিৱেশমিত্ৰ চৰ্চা কেনেদৰে হৈছিল, সেই সময়ৰ অসমীয়া জনসমাজে কেনেধৰণৰ কৃষি পদ্ধতি অৱলম্বন কৰি পৰিৱেশৰ ভাৰাসাম্য অটুত ৰাখিছিল সেই সম্পৰ্কে অধ্যয়ন কৰাই এই গৱেষণা পত্ৰৰ উদ্দেশ্য। এনে ধৰণৰ অধ্যয়ন পৃথিৱীৰ প্ৰায়বোৰ জাতিৰ লোকসাহিত্যত হৈছে আৰু তাৰ পৰা বহুতো সুফলো লাভ কৰা দেখা গৈছে। অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিত এই বিষয়ে অধ্যয়নৰ এক বিশাল ক্ষেত্ৰ আছে।

---

*লেখক সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দিখৌমুখ মহাবিদ্যালয়, মগ্‌লৌ, শিৱসাগৰ*
*মেইল ঃ adityasaikia305@gmail.com*

**১.০০ অৱতৰণিকা ঃ**

ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদি অসমীয়া লোকসাহিত্য তথা ভাষা সাহিত্যৰ অমূল্য ৰত্ন। এইবোৰ অসমীয়া লোকসাহিত্যৰ যুগ-যুগান্তৰৰ অভিজ্ঞতা আৰু জ্ঞানলব্ধ স্তম্ভ। ইয়াৰ মাজেৰে প্ৰতিফলিত হয় অনেক যুগ যুগ ধৰি আৰ্জিত মানৱ জীৱনৰ ভাবানুভূতি, লোকসমাজৰ চিন্তা-চৰ্চা, সামূহিক ধ্যান-ধাৰণা আদি। ইয়াৰ প্ৰধান গুণগত বৈশিষ্ট হৈছে কম কথাৰ মাজেৰে অধিক প্ৰকাশ কৰা।

অসমীয়া লোকসাহিত্যৰ সৌন্দৰ্য্য উপলব্ধিৰ অনন্য অলংকাৰ ডাকৰ বচন, ফকৰা-যোজনা আদিৰ লগত অসমীয়া জাতীয় জীৱনৰ নিবিড় সম্বন্ধ আছে। মুখে মুখে বাগৰি অহা, জাতিৰ সমূহীয়া, ব্যৱহাৰিক আৰু নৈতিক জ্ঞানৰ সঞ্চয়পুঁজি হোৱা হেতুকে লোকসাহিত্যৰ এই বিভাগটোত অসমীয়া লোকজীৱনৰ লগত জড়িত ৰাজনীতি, অৰ্থনীতি, কৃষি, শিল্প, গৃহস্থালি, আচাৰ-ব্যৱহাৰ আদি সকলো বিষয়ৰ সাৰুৱা উপদেশ পোৱা যায়। এইক্ষেত্ৰত আলোচ্য 'পাৰিপাৰ্শ্বিক সচেতনতা' বা 'কৃষি বিষয়ক সাৰুৱা উপদেশ' অন্যতম। লোকসাহিত্যৰ এই বিভাগৰ 'ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-বাক্য' এই তিনিটা ভাগতহে পাৰিপাৰ্শ্বিক সচেতনতা সম্পৰ্কীয় সাৰুৱা উপদেশসমূহ সঞ্চিত হৈ আছে। সেয়েহে, আলোচনাৰ সুবিধাৰ্থে এই বোৰক পৃথকে ৰখা নাই।

**১.০১ গৱেষণা পদ্ধতি ঃ**

"**অসমীয়া ডাকৰ বচন, প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা, সাঁথৰ আদিত প্ৰতিফলিত পাৰিপাৰ্শ্বিক সচেতনতাজনিত কৃষিভিত্তিক জ্ঞান**" শীৰ্ষক আমাৰ গৱেষণা পত্ৰখনি অধ্যয়নৰ বাবে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। গৱেষণা বিষয়টি অধ্যয়নৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ তথ্যৰ উৎস হিচাপে মুখ্য, গৌণ আৰু অনান্য উৎসৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

**১.০২ প্ৰমেয় ঃ**

আমাৰ গৱেষণা কৰ্মত নিম্নলিখিত সিদ্ধান্তসমূহ প্ৰতিপাদ্য বিষয়ৰূপে উপস্থাপিত হ'ব বুলি আশা কৰা হৈছে—

(ক) অসমীয়া ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিত পৰম্পৰাগতভাৱে পৰিৱেষ্টিত কৃষি বিষয়ক বিভিন্ন দিশৰ ওপৰত বিজ্ঞানসন্মত বিশ্লেষণেৰে আমাৰ বিচাৰ্য্য পাৰিপাৰ্শ্বিকভাৱে সচেতনতামূলক তথা পৰিৱেশমিত্ৰ দিশ সম্পৰ্কে জানিব পৰা যাব।

(খ) পুৰণি অসমীয়া সমাজৰ কৃষি পদ্ধতি সম্পৰ্কে থকা জ্ঞান, দায়বদ্ধতা আৰু সচেতনতা সম্পৰ্কে উচিত মূল্যায়ন হ'ব।

(গ) বিশ্বায়নৰ যুগত সমগ্ৰ বিশ্বতে পৰিৱেশৰ প্ৰভাৱ অপৰিসীম। সেয়েহে বিষয়টোৰ উৎকৃষ্ট অধ্যয়ন বৰ্তমানৰ সমাজ আৰু সাহিত্যৰ লগতে বিজ্ঞানৰ জগতখনলৈ অন্যতম অৱদান হিচাপে পৰিগণিত হ'ব।

**২.০০ পাৰিপাৰ্শ্বিক সচেতনতাজনিত কৃষিভিত্তিক জ্ঞান ঃ**

অসমীয়া সমাজখন সম্পূৰ্ণ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিক সাৰোগত কৰি গঢ় লৈ উঠা অসমীয়া কৃষিভিত্তিক সংস্কৃতি পৰিস্থিতিকী গুণসম্পন্ন আছিল। তৃণমূল কৃষক, জনজাতি আৰু অন্যান্য কৃষকসকল যিসকলে কৃষি উৎপাদনৰ কাৰণে অনন্ত কালৰে পৰা কষ্ট কৰি আছে আৰু লাখ লাখ মানুহক পোহ-পাল দি আছে তেওঁলোক মাটিৰ প্ৰকৃত মানুহ; তেওঁলোক স্থানীয় কৃষ্টি সভ্যতাৰ প্ৰতিষ্ঠাপক। মানুহ আৰু মাটিৰ সান্নিধ্য উপলব্ধি কৰা আৰু প্ৰশংসা কৰা অতিকে প্ৰয়েজনীয়। এই সান্নিধ্যৰ মূলতে হ'ল পৰম্পৰাগত কৃষিজীৱি সমাজৰ পাৰিপাৰ্শ্বিক সজাগতা। জলবায়ু, মাটিৰ গুণাগুণ, বানপানী, ধানখেতিৰ সঁচ আদিৰ পাৰস্পৰিক পাৰিপাৰ্শ্বিক সম্পৰ্কৰ যোগেদি যি কৃষিজীৱি অসমীয়া সমাজ প্ৰতিষ্ঠিত সেই কৃষিজীৱি সমাজৰ কৃষকসকল প্ৰকৃততে পৰিৱেশমিত্ৰ। কোনটো মাহত কি খেতি কৰিব লাগে, কোনটো খেতিৰ লগত কেনেধৰণৰ জলবায়ু খাপখাই পৰে, বানপানী কেতিয়া আহে, বানপানী কেনেকৈ আহে, বানপানী অহাৰ পিছত অৰ্থাৎ বানপানীয়ে পলস পেলোৱাৰ পিছত খেতি কৰা, খেতিৰ মাটি কেনেকুৱা হ'ব লাগে, সকলো কথাৰ প্ৰতি তেওঁলোক সজাগ আছিল। এই সকলো দিশৰ সুসামঞ্জস্য ঘটোৱাটো সকলোৰে পক্ষে সম্ভৱ নহয়। অসমীয়া সমাজখন এইবোৰ দিশত সম্পূৰ্ণ জ্ঞাত আছিল। এইবোৰৰ লগতে খেতি কৰাৰ অৰ্থাৎ কঠিয়া ৰুৱা, ধান সিঁচা, তাৰ প্ৰতিপালন কৰা আদি সকলো ডাকৰ বচনত উল্লেখ আছে।

| শস্যৰ নাম | সিঁচা বা ৰোৱাৰ সময় | চপোৱাৰ সময় | মাটিৰ প্ৰকাৰ |
|---|---|---|---|
| আহু | ফাগুন, চ'ত | জেঠ, আহাৰ | ওখ মাটি |
| শালি | আহাৰ, শাওণ | আঘোণ, পুহ | মজলীয়াৰ পৰা দ' মাটি |
| বাও | চ'ত, বহাগ | আঘোণ | দ' মাটি |

সেই অনুসৰি ডাকৰ বচনত—

"শাওণৰ কঠীয়াৰ নহয় ধান,
আহোনৰ গোছ বিফল ধান।"[১]
"আহু সিচিবা খোজত বুড়ি,
শালি ৰুবা বেগত জুৰি।
আঁঠুৰ ওপৰে দেখিবা পানী,
গোছ দিবা হাতক জানি।।"[২]
"ঘন ঘনকৈ দিবা আলি,
তেহে খাবা নানা শালি।"[৩]
"নিৰালে বিন্ধালে আহু,
নিনিয়ালে নিবিন্ধালে পহু।"[৪]
"আগত জেউৰা পাচত খেতি,

তাক নকৰিলে হ'বা লটি ঘটি।"[৫]
"ছোৱালী আনিবা মাক ভাল,
মাটি কিনিবা মাজ-খাল।"[৬]
"জেঠ মাহ গ'ল বিনা নাঙলে
কৃষিক কৰিবা বাহুৰ বলে।
যেবে কৃষিক কৰিবা আশ,
তেবে নথবা শাওণত চাস।"[৭]
"জেঠ মাস গৈল বিনা নাঙ্গলে
কৃষক বঞ্চিব কাহৰ বলে।"[৮]

বানপানী সম্পৰ্কে কৈছে—

"আহাৰৰ পানী আহে যায়,
ভাদৰ পানী ঘৰ ত'ল যায়।
শাওণৰ পানী ৰাওণে খায়,
ভাদৰ পানী ক'লতলে যায়।"[৯]

প্ৰকৃতিমিত্ৰ কৃষিজীৱি অসমীয়া সমাজখনে কৃষিৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় 'পানী'ৰ কাৰণে প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰ কৰিছিল। অসমীয়া খেতিয়কৰ বাবে 'পানী'ৰ সেই অভাৱ পূৰণৰ একমাত্ৰ সম্বল আছিল 'বৰষুণ'। সেয়েহে পৰিৱেশমিত্ৰ অসমীয়া সমাজখনে প্ৰকৃতিৰ আলেখ-লেখ চাই বৰষুণ সম্পৰ্কে ডাকৰ বচনত কৈছে এনেদৰে —

"যেবে জলধৰ বৰষে ধাৰে।
কি কৰিতে তাক গণিতা পাৰে।।
তথাপিতো তাৰ তিথি-বাৰ চায়।
ডাকে বোলে বাপু কিছু বেলা যায়।।
আহাৰৰ নৱমী শুক্লপক্ষত।
যদি নবৰষে মহী তলত।।
হাল-কোৰ বেচি চিন্তিয়ো দেৱ।
ৰাজাৰ গৃহত কৰিয়ো সেৱ।।"[১০]

প্ৰকৃতিৰ লক্ষণ চাই কেতিয়া খৰ মাৰিব, কেতিয়া বানপানী হ'ব তাকো ডাকে কৈছে—

"উত্তৰে গজে পূৰে বৰিষে
পশ্চিমে দিলা ধেনু,
থিতাতে বহি ডাকে বোলে

সাগৰ শুকায় জানো?
দক্ষিণে গাজে পশ্চিমে বৰষে
পূৰে দিলা ধেনু,
থিতাতে বহি ডাকে বোলে
পৰ্বত বুৰায় জানো।।”[১১]
“গৰজে দেৰে বৰষে ধাৰে।
পৰ্ব্বত বুৰায় একেকাৰে।।
আউল-জাউল কৰি ৰাৰ।
ডাকে বোলে লৈ বিনাশৰ ভাও।।”[১২]

আগৰ বছৰৰ কেইটামান মাহ, তিথি আৰু দিনত হোৱা বৰষুণৰ পৰা পিছৰ বছৰৰ খেতি আৰু বৰষুণ কেনেকুৱা হ'ব তাক নিৰ্ধাৰণ কৰিছে।

“চ'তৰ প্ৰথম দিনত হয় যি যি বাৰ।
ৰবি শোষে, সোমে বৰিষে, মঙ্গলে ধূলি অন্ধকাৰ।।
বুধ বৃহস্পতি শুক্ৰবাৰ।
পৃথিৱী নসহে শস্যৰ ভাৰ।।
যদি হয় শনিবাৰ।
শস্য হানি প্ৰজা ক্ষয়ঙ্কাঁৰ।।”[১৩]
“যাদ বৰষে মাঘৰ শেষ।
ধন্য ৰাজা, ধন্য দেশ।।”[১৪]
“পৌষত কৰে মেঘ গৰ্জন।
মাঘত হয় জল শোভন।।
চ'তত হয় ফল নিৰন্তৰ।
বহাগত কিন্তু পৰে পাথৰ।।
ৰিণি ৰিণি জল পৰে জেঠ।
চাৰি মাহ জুৰি হোৰে লোকত।।”[১৫]

এই সকলো দিশৰ সুসমন্বয়ৰে প্ৰতিষ্ঠিত কৃষিজীৱি অসমীয়া মানুহৰ ঘাই খেতি বুলিবলৈ 'আহু, শালি আৰু বাও'য়ে প্ৰধান। ইয়াৰ ভিতৰত শালি খেতি নিৰ্ভৰযোগ্য তথা ডাকৰ বচন অনুযায়ী কৰিলে পায়। এই খেতি আহাৰ, শাওণ মাহত কৰা হয়। কিয়নো আহাৰ মাহত অহা পানীয়ে মাটিত পলস পেলায়। সেই পলসত উঠি অহা ধানজোপাই 'ভাদমহীয়া বান' বা 'ভদীয়া' পানীৰ পৰশ পায়। এই তিনিবিধ খেতি বছৰেকে কৰিলে মাটিৰ গুণাগুণ নষ্ট নহয়। প্ৰতিটো খেতি দুমাহৰ অন্তৰাল সাপেক্ষে কৰা হয় আৰু সেই

দুমাহত মাটিড'ৰা জৈৱিকভাৱে সজীৱ হৈ পৰে। ইয়াৰ লগতে গাঁও অঞ্চলত গতানুগতিক পৰিৱৰ্তিত পৰিস্থিতিৰ লগত মোকামেলা কৰিবলৈ কৃষিজীৱি অসমীয়া সমাজ সদায় প্ৰস্তুত থাকে আৰু নিজৰ কৌশল প্ৰৱৰ্তন কৰি উপকৃত হয়। বানপানী হ'লে অসমীয়া কৃষকে কেনেকৈ কৃষি কাৰ্য্যৰ পৰিৱৰ্তন আনিব লাগে তাক জানে। বানপানী হোৱা দ' ঠাইবোৰত কৃষকে আহু আৰু বাও ধান দুয়োটা একেলগে সিঁচি দিয়ে। যদি বানপানী সোনকালে আহে তেতিয়া আহুধান নষ্ট হ'ব পাৰে কিন্তু বাওধান খিনি বাচি থাকিব। যদি বানপানী দেৰিকৈ আহে আহুধান বাচিব, বাওধানৰ অন্যায় হ'ব আৰু বানপানী সময়মতে আহে তেন্তে আহু আৰু বাও দুয়োটা বাচিব। এনে প্ৰত্যাহ্বান আগত ৰাখি কৃষকে নিজৰ সিদ্ধান্ত লয়। শালিধানৰ ক্ষেত্ৰত বানপানীৰ আগত বা পিছত সিঁচিব পৰা কম দিনীয়া ধানৰ জাত ব্যৱহাৰ কৰা হয়। নিশ্চিত বানপানী বা গভীৰ পানী জমা হোৱা ঠাইত নিয়মিতভাৱে বাওধানৰ খেতি কৰা হয়। এই জাতৰ ধান পানী বঢ়াৰ লগে লগে বাঢ়ি আহে আৰু খৰালি এই ধান চপোৱা হয়। এইদৰে খেতি কৰি কৃষকে বতৰৰ প্ৰত্যাহ্বানৰ সন্মুখত থিয় হৈ যুগ যুগ ধৰি কৃষি কাৰ্য চলাই আহিছে। বৰ্তমান জনসংখ্যা বৃদ্ধি বা অধিক অৰ্থনৈতিক মুনাফা লাভৰ আশাত মাটিত বিভিন্ন কৃত্ৰিম সাৰ প্ৰয়োগ কৰা আৰু বাৰ মাহত বাৰটা খেতি, যেনে, ৰঞ্জিত, চিলাৰায়, বাহাদুৰ, ভোগালী, লাচিত, কুশল আদি কৰাৰ ফলত মাটিৰ গুণাগুণ একেবাৰে নোহোৱা হৈ গৈছে।

মাটিৰ প্ৰাকৃতিক গুণ ৰক্ষাৰ ক্ষেত্ৰত কেঁচু, কুমটী, হাতীপোক, কেঁকুৰা আদিৰ যথেষ্ট অৰদান আছে। এইবোৰে খেতিৰ দুৰ্য্যোগৰ সময়ত ৰক্ষক হিচাপে থিয় দিয়ে। কেঁচুৱে মাটিত গাত খান্দি মাটি তল-ওপৰ কৰি চাহ কৰে, মাটি আৰু জৈৱিক পদাৰ্থবোৰ খায়।

> "কেঁচুৱে প্ৰতি হেক্টৰত নিজৰ শৰীৰৰ মাজেৰে বছৰি প্ৰায় ৩৫ টন শুকান মাটি খায় যি কেঁচুমতা প্ৰক্ষেপ কৰে তাত মাটিত থকা মাণিক বা জৈৱ পদাৰ্থবোৰ হজম হৈ তাৰ পৰা সাৰ পদাৰ্থবোৰ গছৰ কাৰণে সহজলভ্য অৱস্থাত প্ৰাপ্ত হয়। কেঁচুৱে এক হেক্টৰ মাটিত প্ৰায় ২০,০০০ হাজাৰ কেজি কেঁচুমতা উৎপন্ন কৰে। এই কেঁচুমতাবোৰে জৈৱিক পদাৰ্থ, নাইট্ৰোজেন, ফচফোৰাচ, পটাচ, কেলচিয়াম, মেগনেছিয়াম আদিৰ দৰে গছৰ লাগতিয়াল সাৰ পদাৰ্থবোৰ উৎপন্ন কৰে যাৰ ফলত মাটি কেটায়ন বিনিময় ক্ষমতাৰো বৃদ্ধি হয়।"[১৬]

ইয়াৰ লগতে ডাকৰ বচনত অসমীয়া কৃষকে পৰম্পৰাগত যি হালবোৰাৰ কথা কৈছে সি সম্পূৰ্ণ পৰিৱেশমিত্ৰ। পৰম্পৰাগত অসমীয়া মানুহে মাটি চহাওঁতে সদায় নাঙলৰ ব্যৱহাৰ কৰে। নাঙলত যি ফাল ব্যৱহাৰ কৰা হয় সেই ফাল যথেষ্ট সৰু অৰ্থাৎ নিৰ্দিষ্ট জোখত চহোৱাৰ উদ্দেশ্যে।

> "পৰম্পৰাগত নাঙল ব্যৱহাৰ কৰি, কমকৈ মাটি চহাই থাকিলে কেঁচু আৰু আন উপকাৰী সূক্ষ্ম জীৱাণুবোৰক আমন্ত্ৰণ জনোৱা হয় আৰু তাৰ ফলত মাটিবোৰ স্বতঃস্ফূৰ্তভাৱে উন্নত, সাৰযুক্ত হয় আৰু বৰষুনৰ পানী সংৰক্ষিত হৈ খৰাং অৱস্থাৰ পৰা

পৰিত্ৰাণ পোৱাত সহায়ক হব ।"[১৭]

ইয়াৰ লগতে এনেদৰে মাটি চহোৱাৰ ফলত মাটিৰ গুণাগুণ নষ্ট নহয়, অৰ্থাৎ বানপানী আহিলে তাৰ ওপৰৰ মাটিভাগ উটাই নিব নোৱাৰে ফলস্বৰূপে ভূমি অবক্ষয় নহয়। বৰ্তমান পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ দ্বাৰা মাটি চহাওঁতে মাটিডোখৰ দ'লৈ অৰ্থাৎ জোখতকৈ বেছি খন্দা হয় ফলত বানপানী, বৰষুণ আদি হ'লে তাৰ পলসুৱা ভাগটো উটি যায়।

"জৈৱিক কৃষি অৱলম্বন কৰিলে বাৰী বা পথাৰত পানীৰ আৱশ্যকতা ব্যাপকভাৱে কমি আহে। ইয়াৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ হয় আৰু মাটিত থকা পানীৰ সুপৰিচালনাৰ ফলস্বৰূপে ভূ-তলৰ জলস্তৰ ওপৰলৈ উঠি আহে। পচন সাৰ তৈয়াৰ কৰা, কেঁচু সাৰ তৈয়াৰ কৰা, শস্যৰ মূঢ়া, গা-গছ, ডাল, পাত আদি অলাগতিয়াল অংশ পুনৰ ব্যৱহাৰ কৰি থাকিলে পৰিয়ালৰ লোকসকল ব্যস্ত থকাৰ উপৰি গোটেই বছৰটো গছ-পাতে শুহি লোৱা পোষক পদাৰ্থবোৰ পুনঃব্যৱহাৰ হৈ থাকিব।"[১৮]

পুৰণি অসমীয়া সমাজ জীৱনে কৃষিৰ ক্ষেত্ৰত আকোঁৱালি লোৱা সকলো দিশে মাটিৰ উপকাৰ কৰে আৰু গুণগত মান বঢ়ায়।

"জৈৱিক পদাৰ্থ থাকিলে মাটি পাতল আৰু ফহফহীয়া হয়, মাটিৰ গঠন ভাল হয়, যথেষ্ট ৰন্ধ্ৰৰ সৃষ্টি হৈ বৰষুণৰ পানী বেছিকৈ শুহি লব পাৰে আৰু মাটিৰ খহনীয়া ৰোধ হয়। জৈৱিক কৃষিৰ দ্বাৰা এডোখৰ মাটি গঢ়ি তোলাৰ পিছত ই এক আপুৰুগীয়া সম্পদ হৈ পৰে আৰু পৰাপক্ষত এইদৰে গঢ়ি লোৱা মাটি যিমান পাৰে কমকৈ লৰাব লাগে। মাটি যিমানে কমকৈ লৰোৱা হয় সিমানে ইয়াৰ সংগঠন আৰু ৰন্ধ্ৰবোৰ উপযুক্ত পৰিমাণত বৰ্তি থাকি শস্যৰ শিপাক বায়ু, পানী আৰু পোষক পদাৰ্থ ঠিকমতে যোগান ধৰিব পাৰিব।"[১৯]

কৃষিৰ লগত জড়িত আন এক পৰিৱেশমিত্ৰ প্ৰবাদ হ'ল— 'কাতি বিহুত পথাৰত চাকি জ্বলোৱা'। এই কাৰ্য্যৰ মূল ভেটি সম্পূৰ্ণ বৈজ্ঞানিক। ইয়াৰ মূলতে হ'ল পথাৰত সেই সময়ত শালি খেতি লহ-পহকৈ বাঢ়ি আহে আৰু অনিষ্টকাৰী পোক-পতঙ্গ যেনে মজাখোৱা, চহৰা, গান্ধীপোক আদি পোক কিছুমানে ধৰা দিয়ে। এই পোকবোৰ নাইকিয়া কৰিবৰ হেতুকে সেই সময়ত ৰাসায়নিক ঔষধ যেনে— মালাথিয়ন, চুমিথিয়ন, ডাইমিক্ৰ আদি উপলভ্য নাছিল সেইহেতুকে তেওঁলোকে চাকি দিয়া পন্থা অৱলম্বন কৰিছিল। এইৰাসায়নিক ঔষধবোৰে পোক-পৰুৱাৰ পৰা খেতিডৰা ৰক্ষা কৰিলেও খেতিৰ পথাৰসমূহ নষ্ট কৰি পেলায়।

"মাটিৰ উপৰিভাগত মিলি যোৱা কীটনাশক ঔষধে তাৰ ওপৰত গজা গছ একোজোপাৰ কোনো অপকাৰ নকৰে বা তেনে গছৰ শস্য, ফল-মূল আদি খোৱাৰ পৰাও কোনো অপকাৰ নহয়। কিন্তু সমস্যা হয় যেতিয়া বেক্টেৰিয়াই কীটনাশক ঔষধ মাটিৰ পৰা উলিয়াই দিয়ে। উদাহৰণ স্বৰূপে, প্ৰপ'লিন নামৰ এবিধ কীটনাশক ঔষধ যেতিয়া

ধাননি পথাৰত দিয়া হয়— এই পদাৰ্থবিধ দুটা ভাগলৈ ৰূপান্তৰিত হয়। তাৰে এটা ভাগৰ পৰা একো অপকাৰ নহয়। কিন্তু ডাইক্লু'ৰ'এনাইলিন্ নামৰ আনটো ভাগ যথেষ্ট বিষাক্ত।"[২০]

"যি কৃষি ব্যৱস্থাই পাৰিপাৰ্শ্বিক ভাৰসাম্য, অৰ্থনীতি, সমাজ, সংস্কৃতি যথাযথভাৱে ধৰি ৰাখে আৰু যি কৃষি ব্যৱস্থা সঁচা অৰ্থত বিজ্ঞানসন্মত সেই কৃষি ব্যৱস্থাহে সুদীৰ্ঘ কাল টিকি থকা কৃষি ব্যৱস্থা"[২১]

সেই কৃষি ব্যৱস্থাৰ অধীনতে পৰম্পৰাগত পৰিৱেশমিত্ৰ অসমীয়া সমাজখনে অনুধাৱন কৰি উলিয়ালে যে, সন্ধিয়া সময়ত এদিন পথাৰত চাকি দিলে সেই চাকিৰ পোহৰত পোকবোৰে জু-খাব আৰু জু-খোৱাৰ লগে লগে জুইৰ ওচৰ চাপিব আৰু জুইত পৰি পোকবোৰৰ অনিষ্ট হ'ব। ই এক বৈজ্ঞানিক তথা 'Smart tradition'। প্ৰথমতে এই পৰম্পৰাত এফালে 'ধান' খেতিবোৰ নষ্ট হোৱাৰ পৰা হাত সাৰিল ফলস্বৰূপে পৰিস্থিতিতন্ত্ৰৰ অন্তৰ্গত খাদ্যশৃংখল পক্ৰিয়াত বিসংগতি নহ'ল। এই পৰম্পৰাত অন্যান্য পোক-পৰুৱা নষ্ট নহ'ল ফলস্বৰূপে যি শৃংখলৰ মাজেদি পৰিস্থিতিতন্ত্ৰ বৰ্তি থাকে সি বৰ্তি থাকিল। ফলত পৰিৱেশৰ ভাৰসাম্য অটুত থাকিল। দ্বিতীয়তে, ই মাটিৰ গুণাগুণত প্ৰভাৱ নেপেলায় ফলস্বৰূপে, ভূমি অবক্ষয় (Soil pollution) নহয়। বৰ্তমান ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ ফলত মাটিৰ গুণাগুণ নষ্ট হৈ ধানখেতিত বিৰূপ প্ৰভাৱ পৰে আৰু মানুহৰ লগতে অন্যান্য প্ৰাণীৰো বেমাৰ-আজাৰ হয়। তৃতীয়তে, পথাৰ এখনত অন্যান্য তৃণজাতীয় উদ্ভিদ থাকে আৰু সেইবোৰ হ'ল জীৱমণ্ডলৰ মূল উৎস বা প্ৰাথমিক উপাদান। সেই পৰম্পৰাত বননি আৰু তাত থকা অন্যান্য প্ৰাণীবোৰ বৰ্তি থাকিল। চতুৰ্থতে, অতি সূক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিলে এই পৰম্পৰাত যি জুইৰ ব্যৱহাৰ হয় সেই জুই এগছি চাকিত সীমাবদ্ধ থাকে। ইচ্ছা কৰিলে তেওঁলোকে একুৰা ডাঙৰ জুই জ্বলাব পাৰিলেহেতেন কিন্তু তেওঁলোকে তাকে নকৰি কিছুমান সৰু সৰু চাকি দি নিজৰ উদ্দেশ্য সিদ্ধি কৰিছিল যাতে তাৰ ধোঁৱাৰ পৰা 'বায়ু' প্ৰদূষণ নহয়। এই পৰম্পৰাৰ লগতে অসমীয়া সমাজত শস্যৰ শ্ৰীবৃদ্ধি আৰু পোক-পৰুৱাৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ পথাৰত মাহুদী গছ ৰুৱা, চৰাই-চিৰিকতি পৰিবলৈ জেং থকা গছৰ ডাল পোতা, ব'টেঙা পেলোৱা আদি পাৰিপাৰ্শ্বিক দিশ অৱলম্বন কৰা দেখা যায়।

প্ৰাকৃতিক পৰিৱেশত পুৰণি অসমীয়া সমাজখন জৈৱিক বহুধাৰ  লগত ওতঃপ্ৰোতভাৱে জড়িত। এওঁলোকৰ সমাজ ব্যৱস্থাত কৃষিজীৱিসকল একগোট হৈ জীৱন-যাপন কৰাৰ লগতে তেওঁলোকৰ ভিতৰত কৰ্ম আৰু সংস্কৃতি পাৰ্থক্য থাকিলেও পথাৰত একেলগে কাম কৰাৰ মানসিকতা বিৰাজ কৰিছিল। মাটিয়েই তেওঁলোকৰ অস্তিত্ব আৰু আশা-ভৰসা পূৰণৰ ৰক্ষাকৱচ আছিল। সেয়েহে ডাকৰ বচনৰ সেই পৰম্পৰাগত কৃষকৰ মাজত চলি থকা ব্যৱস্থাবোৰ অৱমাননা কৰিলে নচলিব। কৃষকৰ পৰম্পৰাগত, অনিষ্টকাৰী পোক-পতংগ ধ্বংস কৰাৰ ব্যৱস্থা, জৈৱিক নিয়ন্ত্ৰণ ব্যৱস্থা, বতৰ হিচাপে ব্যৱসায়িক তথা নিজৰ ব্যৱহাৰৰ কাৰণে নিজৰ শস্যৰ সঁচ ব্যৱহাৰ কৰা আদি ব্যৱস্থা প্ৰচলিত ৰূপত থকাটো অতিকে প্ৰয়োজনীয়। মুঠতে পৰম্পৰাগত জনসমাজখনক নিৰক্ষৰ বুলি কোৱা হয় যদিও এনেবোৰ কথাই তেওঁলোকৰ নিৰক্ষৰতা প্ৰমাণ নকৰে।

বৰং একবিংশ শতিকাৰ জনসাধাৰণতকৈ তেওঁলোক সম্পূৰ্ণ পৰিৱেশ সচেতন তথা বাস্তব্যবিদ্যাৰ গুণেৰে পৰিভূত অসাধাৰণ ব্যক্তিত্ব সম্পন্ন মানুহৰ শাৰীলৈ উন্নীত হয়।

**৪.০০ সিদ্ধান্ত আৰু সামৰণি ঃ**

বিশ্বায়ন, স্থিতিযোগ্য উন্নয়ন, পাৰিপাৰ্শ্বিক সচেতনতা, পৰিৱেশমিত্ৰ কৃষি পদ্ধতি আৰু অসমীয়া ডাকৰ বচন, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ আদিৰ মাজত গুৰুত্বপূৰ্ণ সম্পৰ্কে আছে। বিশ্বায়নৰ যুগত বহনক্ষম উন্নয়নৰ কাৰণে মানৱ জাতি পাৰিপাৰ্শ্বিকভাৱে সচেতন হবলৈ হলে পুৰণি অসমীয়া সমাজত পৰম্পৰাগতভাৱে পৰিৱেষ্টিত কৃষি বিষয়ক পৰিৱেশমিত্ৰ দিশবোৰ জনাটো অত্যন্ত জৰুৰী। প্ৰাৰম্ভিক অৱস্থাৰে পৰা কৃষি বিষয়ত সচেতনতা বিয়পোৱাৰ ক্ষেত্ৰত লোকসাহিত্যৰ এই বিভাগটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কৃষি বিষয়ক পৰিৱেশমিত্ৰ এই দিশবোৰকে আদি কৰি সমাজৰ সকলো সাংস্কৃতিক দিশ জাতিটোৰ নিজস্ব লোকবিশ্বাস তথা লোকসাহিত্যত সন্নিবিষ্ট হৈ থাকে। অসমীয়া জাতি পৰিৱেশৰ বিভিন্ন সাৰুৱা কথাৰে ভৰপূৰ অসমীয়া লোকসাহিত্যৰ ফলশ্ৰুতি। পুৰণি অসমীয়া লোকসমাজে নিজস্ব লোকসংস্কৃতি বা লোকসাহিত্যত বিলীন হৈ থকা স্থানীয় এই লোকবিশ্বাসৰ মাজেৰে বিশ্ব প্ৰকৃতিৰ ছন্দৰ লগত ছন্দ মিলাই প্ৰকৃতিপ্ৰদত্ত সকলো সম্পদক সুনিয়ন্ত্ৰিত আৰু সুচিন্তিতভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিল। এটা জাতিৰ অস্তিত্ব ৰক্ষা আৰু দীৰ্ঘজীৱি হোৱাৰ ক্ষেত্ৰত জাতিটোৱে পৰম্পৰাগতভাৱে পৰম্পৰা হিচাপে কঢ়িয়াই লৈ ফুৰা এই লোকবিশ্বাসবোৰৰ গুৰুত্বপূৰ্ণ অৱদান আছে। ❐

**পাদটীকা ঃ**

১। লীলা গগৈ, অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃ. ১৯।
২। উক্ত গ্ৰন্থ, পৃ. ১৯।
৩। খগেন শইকীয়া, পুৰুষ, বয়স ৬০, ঘিলামৰা, লখিমপুৰ।
৪। খগেন শইকীয়া, পুৰুষ, বয়স ৬০, ঘিলামৰা, লখিমপুৰ।
৫। খগেন শইকীয়া, পুৰুষ, বয়স ৬০, ঘিলামৰা, লখিমপুৰ।
৬। লীলা গগৈ, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৪২।
৭। উক্ত গ্ৰন্থ, পৃ. ১৯।
৮। নবীন চন্দ্ৰ শৰ্মা, ডাক-প্ৰৱচন আৰু ডাক-পৰম্পৰা, পৃ. ৪০।
৯। নৰকান্ত শইকীয়া, পুৰুষ, বয়স ৬০, জোনাকী নগৰ, গোলাঘাট।
১০। লীলা গগৈ, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২১।
১১। উক্ত গ্ৰন্থ, পৃ. ২২।
১২। উক্ত গ্ৰন্থ, পৃ. ২২।
১৩। উক্ত গ্ৰন্থ, পৃ. ২২।

১৪। উক্ত গ্ৰন্থ, পৃ. ২২।

১৫। উক্ত গ্ৰন্থ, পৃ. ২২।

১৬। দিগেন্দ্ৰ নাৰায়ন চক্ৰৱৰ্ত্তী, জলবায়ু, মাটি জৈৱজগত আৰু মানুহৰ কৰ্মৰাজীৰ সম্বন্ধ, পৃ. ১০৪।

১৭। উক্ত গ্ৰন্থ, পৃ. ৩০।

১৮। উক্ত গ্ৰন্থ, পৃ. ৭১।

১৯। উক্ত গ্ৰন্থ, পৃ. ৭১।

২০। ডিম্বেশ্বৰ চলিহা, প্ৰাকৃতিক অপ্ৰাকৃতিক, পৃ. ৫৫।

২১। মহানন্দ পাঠক, একৈশ শতিকাৰ পৰিৱেশ গৱেষণাত ভূত, পৃ. ৬৯।

**গ্ৰন্থপঞ্জী ঃ**


কলিতা, ফুল কুমাৰী ঃ *লোকসাহিত্যৰ ৰহঘৰা ফকৰা-যোজনা,* ডিগবৈ, ২০০৩।

কোঁচ, জীৱনচন্দ্ৰ ঃ *অসমীয়া ভাষাৰ অলংকাৰ ফকৰা-যোজনা,* জীৱন চন্দ্ৰ কোঁচ, আৰতী কোঁচ, কুমাৰণীছীগা, ডিব্ৰুগড়-৮, পঞ্চম প্ৰকাশ, ২০১১।

গগৈ, জীৱকান্ত ঃ *অসমীয়া লোকসাহিত্যৰ সাতসৰী,* শৰাইঘাট প্ৰিণ্টাৰ্ছ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৬।

গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি, বনলতা,* ডিব্ৰুগড়-১, নৱম সংস্কৰণ, ২০১২।

———— ঃ *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা,* বনলতা, ডিব্ৰুগড়-১, প্ৰথম প্ৰকাশ, ২০০৭।

চক্ৰৱৰ্তী, জয়চন্দ্ৰ (সম্পা.) ঃ *ডাকৰ বচন,* কিতাপ সমন্নয়, গুৱাহাটী-১ প্ৰথম প্ৰকাশ ২০১৩।

চক্ৰৱৰ্ত্তী, দিগেন্দ্ৰ নাৰায়ন ঃ *জলবায়ু মাটি জৈৱ-জগত আৰু মানুহৰ কৰ্মৰাজিৰ সম্বন্ধ,* নিওলেণ্ড টেকনোলজিজ, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০১৪।

বৰ্মন, মঞ্জু মজুমদাৰ ঃ *অসমীয়া ফকৰা যোজনা,* পাঞ্চজন্য প্ৰিণ্টিং এণ্ড পাব্লিছিং, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০১৫।

বৰা, ভূপেন আৰু অন্যান্য ঃ *ভাৰতৰ পাৰিপাৰ্শ্বিকতা আৰু পৰিৱেশ ইতিহাস,* কিৰণ প্ৰকাশন, ধেমাজি, প্ৰথম প্ৰকাশ, ২০১৪।

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোক-সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী, সপ্তম সংস্কৰণ, ২০০২।

বৈশ্য, পৰেশ ঃ *অসমীয়া ফকৰা যোজনা,* ৰেখা প্ৰকাশন, গুৱাহাটী, ২০০৯।

———————— ঃ *অসমীয়া খণ্ডবাক্য আৰু প্ৰবাদ-প্ৰবচন,* ৰেখা প্ৰকাশন, গুৱাহাটী, ২০১৩।

শইকীয়া, থানেশ্বৰ ঃ *পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ,* সৰস্বতী প্ৰকাশন, গোলাঘাট, চতুৰ্থ প্ৰকাশ, ২০০৬।

শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমৰ লোকসাহিত্য,* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, মে', ২০১৪।

—————— ঃ *অসমীয়া লোক-সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ, গুৱাহাটী, ২০১০।

—————— ঃ *ডাক-প্ৰবচন আৰু ডাক-পৰম্পৰা,* জ্যোতি প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২।


**xxx**